**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-07-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::::::***

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমাজৰ বৃহত্তৰ কল্যানৰ বাবে আয়ুৰ্বেদৰ শেহতীয়া প্ৰযুক্তি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।
২।	কেন্দ্ৰীয় মন্ত্ৰীসভাই উত্তৰ প্ৰদেশত ১৯নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু বাৰাণসীৰ ৰিং ৰোডৰ মাজৰ ছটা লেনযুক্ত গ্ৰীন ফিল্ড এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন দিছে।
৩।	ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্যিক চুক্তি আজিৰে পৰা কাৰ্যকৰী হৈছে।
৪।	দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে দেশক আন্তৰ্জাতিক দক্ষতা কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ দেশে দক্ষতাকেন্দ্ৰীক পৰিবেশতন্ত্ৰ গঢ়িতোলা উচিত ব ুলি মত প্ৰকাশ কৰিছে। ***আৰু***
৫।	বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত আজি যোৱাবাৰৰ ছেম্পিয়ন আৰ্জেণ্টিনা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমাজৰ বৃহত্তৰ কল্যানৰ বাবে আয়ুৰ্বেদৰ শেহতীয়া প্ৰযুক্তি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত আজি **শুশ্ৰুতম ২০২৬** শীৰ্ষক আলোচনাচক্ৰৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে নতুন উদ্যমেৰে আয়ুৰ্বেদ আৰু যোগাভ্যাসক গোলকীয় মঞ্চত প্ৰতিষ্ঠা কৰিছে। বৈজ্ঞানিক মান অনুযায়ী আয়ুৰ্বেদিক অস্ত্ৰোপচাৰৰ প্ৰাচীন পৰম্পৰাক মৰ্যাদা প্ৰদানৰ বাবে চলোৱা প্ৰচেষ্টাক লৈ তেওঁ সন্তুষ্টি প্ৰকাশ কৰে।

বাইট- ৰাষ্ট্ৰপতি

ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে আয়ুষ মন্ত্ৰালয়ে আয়ুৰ্বেদিক স্বাস্থ্য সেৱা গোলকীয় মান নিৰ্ধাৰণৰ প্ৰক্ৰিয়া সুদৃঢ় কৰাৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাৰ সৈতে একেলগে কাম কৰি আছে। আলোচনাচক্ৰত হোৱা চৰ্চাই আয়ুৰ্বেদিক শল্য চিকিৎসাৰ নতুন জ্ঞান অন্বেষণত সহায় কৰিব আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সুদৃঢ় কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আস্থা প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই উত্তৰ প্ৰদেশত ১৯নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু বাৰাণসীৰ ৰিং ৰোডৰ মাজৰ ৪৫ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ছটা লেনযুক্ত গ্ৰীন ফিল্ড এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন দিছে। নতুন দিল্লীত আজি সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ বিশেষ আৰ্হিৰ অধীনত নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ বাবে ১৪ হাজাৰ ৪০০ কোটি টকা ব্যয় হ'ব আৰু এই পথটোৱে ১৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু বাৰানসী ৰিং ৰোডৰ মাজত যোগাযোগ সূচল কৰি তুলিব। এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিলে বাৰাণসী চহৰৰ যান-জট

হ্ৰাস পাব আৰু আহ-যাহ সুচল হৈ উঠিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰকল্পটো সামৰি ল'বলগীয়া এলেকাসমূহত যাত্ৰাৰ সময়ত প্ৰায় ৬০ মিনিটৰ পৰা ২০ মিনিটলৈ হ্ৰাস পাব। প্ৰকল্পটোৱে গুৰুত্বপূৰ্ণ ধৰ্মীয়, শৈক্ষিক আৰু সাংস্কৃতিক স্থানৰ সৈতে যোগাযোগ উন্নত কৰাত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

শ্ৰীবৈষ্ণৱে কয়, যে মন্ত্ৰীসভাই চেমিকনডাক্টৰ আৰ্হি আৰু উৎপাদন ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে ১ লাখ ২৭ হাজাৰ ৫০০ কোটি টকাৰ পুজিৰে ছেমিকন মিছনৰ দ্বিতীয় পৰ্যায়ৰ অনুমোদন জনাইছে। তেওঁ কয় যে চেমিকন মিছনৰ প্ৰথম পৰ্যায়ৰ সাফল্যৰ পৰা আগবাঢ়ি ভাৰতক গোলকীয় ছেমিকনডাক্টৰ মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে অভিযানটোৰ দ্বিতীয় পৰ্যায়ৰ অনুমোদন দিয়া হৈছে। তেওঁ কয়, যে এই মিছনে অৰ্থনৈতিক বিকাশত অৰিহণা যোগাব, যোগান শৃংখলা সুদৃঢ় কৰিব আৰু গুৰুত্বপূৰ্ণ কাৰিকৰী শ্ৰেষ্ঠত্ব অৰ্জনত সহায় কৰিব।

বাইট-অশ্বিনী বৈষ্ণৱ

মন্ত্ৰীসভাই ৬২ হাজাৰ ৫০০ কোটি টকাৰ মূলধনেৰে মোবাইল ফোন নিৰ্মাণৰ আঁচনিতো অনুমোদন দিয়া বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে এই আঁচনি পৰৱৰ্তী ৫ বছৰৰ বাবে ৰূপায়ণ কৰা হ'ব। তেওঁ কয় যে এই আঁচনিৰ অধীনত দেশত মোবাইল ফোন নিৰ্মাণৰ বাবে বিক্ৰীৰ ক্ষেত্ৰত ২ দশমিক ২-৫ শতাংশ পৰ্যন্ত উদগণিমূলক সাহায্য আগবঢ়োৱা হ'ব। থলুৱাভাৱে নিৰ্মিত যন্ত্ৰাংশ ব্যৱহাৰ কৰাৰ বাবে ১ দশমিক ৫ শতাংশ পৰ্যন্ত অতিৰিক্ত উদগণিমূলক সাহায্য প্ৰদান কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে আঁচনিখনৰ ৰূপায়ণৰ সময়ছোৱাত প্ৰায় ২৯ লাখ কোটি টকাৰ মোবাইল ফোন উৎপাদন হ'ব আৰু ইয়াৰ জৰিয়তে ৬০ হাজাৰ লোকে প্ৰত্যক্ষ কৰ্মসংস্থাপনৰ সুযোগ লাভ কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰীসভাই আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ইউৰীয়া বিনিয়োগ নীতি ২০২৬ ত অনুমোদন জনাইছে। আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে গেছ আধাৰিত ইউৰীয়া উৎপাদন গোট স্থাপনৰ বাবে ইউৰীয়া খণ্ডত নতুন বিনিয়োগৰ প্ৰসাৰেই এই নীতিৰ মূল উদ্দেশ্য।

00000

ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্যিক চুক্তি আজিৰে পৰা কাৰ্যকৰী হৈছে। এই ঐতিহাসিক চুক্তিৰ ফলত ভাৰতৰ পৰা ৰপ্তানী কৰা ৯৯ শতাংশ সামগ্ৰীৰ ওপৰত ব্ৰিটেইনৰ বজাৰত কোনো ধৰণৰ শুল্ক প্ৰযোজ্য নহ'ব। চুক্তিখনৰ পৰা দুয়োখন দেশ লাভান্বিত হ'ব। এই বাণিজ্য চুক্তিৰ অধীনত দুগ্ধজাত সামগ্ৰী, গোটাদানাজাত শস্য, খোৱা তেল, আপেলসহ ভালেমান সামগ্ৰীক কৰৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে।

দুয়োখন ৰাষ্ট্ৰৰ মাজত এই নতুন অৰ্থনৈতিক যুগৰ সূচনাৰ সৈসে সংগতি ৰাখি আজি ভাৰতত ব্ৰিটেইনৰ উপ আয়ুক্ত ষ্টিক হাইক্লিং আৰু বিদেশ বাণিজ্য সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক ড০ ৰাহুল সিঙে আজি গুজৰাটৰ আহমেদাবাদৰ সানন্দৰ পৰা পতাকা জোকাৰি চুক্তিখনৰ অধীনত প্ৰেৰণ কৰা প্ৰথমটো ৰপ্তানী খেপ ৰাওনা কৰে। এই খেপত ৩ কোটি ৭ লাখ কোটি টকাৰ সামগ্ৰী প্ৰেৰণ কৰা হৈছে।

00000

গৃহমন্ত্ৰী অমিত শ্বাহে আজিৰ পৰা বলবৎ হোৱা ভাৰত-ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তিৰ প্ৰশংসা কৰিছে। সামাজিক মধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত তেওঁ কয় যে এই চুক্তিৰ জৰিয়তে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ড, ভেষজ খণ্ড আৰু খাদ্য প্ৰসংস্কৰণ, অভিযান্ত্ৰিক, চৰ্ম উদ্যোগ, বস্ত্ৰ উদ্যোগকে ধৰি ভাৰতৰ ৰপ্তানী সামগ্ৰীসমূহৰ ৯৯ শতাংশলৈ কোনো আমদানি শুল্ক অবিহনে বজাৰৰ সুবিধা প্ৰদান কৰাৰ

লগতে শ্ৰম অধ্যুষিত উদ্যোগসমূহত লুকাই থকা সম্ভাৱনাসমূহ উন্মোচিত হোৱাৰ বাট মুকলি হ'ব। এই চুক্তিৰ জৰিয়তে চৰকাৰৰ জন কল্যানকামী নীতি প্ৰতিফলিত হোৱা বুলিও তেওঁ প্ৰকাশ কৰে। এই চুক্তিয়ে দুয়োখন দেশৰ মিত্ৰতা শক্তিশালী কৰাৰ সমান্তৰালকৈ ব্ৰিটেইনত থকা বিভিন্ন বৃত্তিধাৰী ভাৰতীয়সকলক উপকৃত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooooo

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি কয় যে ভাৰত-ব্ৰিটেইন সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি, CETA ৰ লগতে সামাজিক নিৰাপত্তাৰ চুক্তি ৰূপায়িত হোৱাৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ দীৰ্ঘস্থায়ী মিত্ৰতাৰ যাত্ৰাত উল্লেখযোগ্য অগ্ৰগতি প্ৰতিফলিত হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে এই সন্দৰ্ভত শুভেচ্ছা জ্ঞাপন কৰি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই চুক্তিসমূহে বজাৰৰ উপলভ্যতা সম্প্ৰসাৰিত কৰি বাণিজ্য আৰু সেৱাসমূহ ত্বৰান্বিত কৰাৰ উপৰি বিভিন্ন বৃত্তিধাৰীসকলৰ বাবে সৰ্বাত্মক বিকাশৰ সুবিধা প্ৰদান কৰিব। তেওঁ লগতে কয় যে এই চুক্তিৰ জৰিয়তে দেশৰ বিভিন্ন ব্যৱসায়, উদ্যোগী, কৃষক, নিৰ্মাতা, এম এছ এম ই সমূহ আৰু দক্ষ কৰ্মশক্তিৰ বাবে নতুন সুযোগ মুকলি কৰিব। তেওঁ লগতে এই চুক্তিয়ে বস্ত্ৰ, চৰ্ম, ৰত্ন আৰু অলংকাৰ, অভিযান্ত্ৰিক সামগ্ৰী, সামুদ্ৰিক উৎপাদন, ৰাসায়নিক সামগ্ৰী আৰু সংসাধিত দ্ৰব্যৰ দৰে খণ্ডসমূহৰ বাবে অপাৰ সম্ভাৱনা মুকলি কৰিব।

উপ ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে ভাৰত-ব্ৰিটেইন মিত্ৰতাৰ এই নতুন অধ্যায়ৰ জৰিয়তে উমৈহতীয়া সমৃদ্ধি, উদ্ভাৱন আৰু স্থায়ী অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত হোৱাৰ সমান্তৰালকৈ দুয়োখন দেশৰ মিত্ৰতাৰ এনাজৰীও গভীৰ হ'ব।

ooooo

দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে কয় যে, দেশক আন্তৰ্জাতিক দক্ষতা কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ ভাৰতে বিশ্বাস, সমতা আৰু যুগমীয়া শিক্ষাৰ ওপৰত ভিত্তি কৰি দক্ষতা কেন্দ্ৰীক পৰিবেশতন্ত্ৰ সৃষ্টি কৰা উচিত। নতুন দিল্লীত বিশ্ব দক্ষতা দিৱস ২০২৬ তথা স্কিল ইণ্ডিয়া অভিযানৰ একাদশ বাৰ্ষিকী উদ্‌যাপনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে চলিত বৰ্ষৰ বিষয়বস্তু **উমৈহতীয়া ভৱিষ্যতৰ বাবে দক্ষতা**ৰ জৰিয়তে দেশৰ কৰ্মশক্তিক ঘৰুৱা সুবিধাৰ উপৰি গোলকীয় শ্ৰম বজাৰৰ বাবেও প্ৰস্তুত কৰি তুলিবলৈ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে। দক্ষতাৰ জৰিয়তে নিয়োগৰ সুবিধা সুনিশ্চিত কৰিব পাৰি বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সৈতে সংগতি ৰাখি দক্ষতা হৈছে যুগমীয়া শিক্ষাৰ অবিচ্ছেদ্য অংগ। শ্ৰীচৌধুৰীয়ে কয় যে গোলকীয় মূল্য শৃংখলত দেশ উল্লেখযোগ্য স্থানত উপনীত হৈছে। প্ৰশিক্ষণপ্ৰাপ্ত বিদ্যুতিক সা-সৰঞ্জামৰ মেৰামতি বা যন্ত্ৰপাতিৰ কাম -কাজৰ দৰে অপৰম্পৰাগত কামসমূহত মহিলাৰ অংশগ্ৰহণৰ হাৰ কম হোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰে। তেওঁ কয় যে মন্ত্ৰালয়ৰ পৃষ্ঠপোষকতাত নৱগঠিত বিশেষ সমিতিয়ে দক্ষতা বিকাশ আৰু শৈলী প্ৰস্তুত কৰাৰ দৰে কাম-কাজত মহিলাৰ বৰ্ধিত অংশগ্ৰহণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে প্ৰয়াস চলাব।

ooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি যোৱাবাৰৰ ছেম্পিয়ন আৰ্জেণ্টিনা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব।

ইপিনে, স্পেইনে যোৱানিশা আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ ডালাছ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্সক ২-০ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। স্পেইনৰ হৈ মাইকেল অয়াৰজাবালে খেলখনৰ ২২ মিনিটত প্ৰথমটো আৰু পেড্ৰ' প'ৰ'ৰে ৫৮ মিনিটত দ্বিতীয়টো গ'ল দি বিজয় নিশ্চিত কৰে। প্ৰথমটো বিশ্বকাপ ট্ৰফী জয় কৰাৰ সুদীৰ্ঘ ১৬ বছৰৰ বিৰতিৰ মূৰত এইবেলি "লা ৰ'জা" হিচাপে বিখ্যাত স্পেইনৰ দলটো ফাইনেলত উপনীত হৈছে। দলটো অহা দেওবাৰে নিশা নিউ জাৰ্ছিৰ মেটলাইফ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত আৰ্জেণ্টিনা বা ইংলেণ্ডৰ মুখামুখি হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ